# অপতৃণনাশকৰ বিষক্ৰিয়া





**অপতৃণনাশকৰ বিষক্ৰিয়া কি ?**

অপতৃণনাশকৰ বিষক্ৰিয়াৰ ফলত অপৰ্যাপ্ত গজালি ওলোৱা, শিপাৰ ক্ষতি, গা-গছ, পাত আদি বগা পৰি যোৱা ইত্যাদি লক্ষণসমূহ দেখা দিব পাৰে।

**কিয় আৰু ক'ত ?**

অনুমোদিত মানতকৈ কম বা বেছিকৈ অপতৃণনাশক ব্যৱহাৰ কৰিলে বিষক্ৰিয়াৰ লক্ষণসমূহ ফুটি উঠে। উদাহৰণ স্বৰূপে — ৰসায়নৰ মাত্ৰা, শস্যৰ জীৱন স্তৰৰ তাৰতম্য বা ৰসায়ন আৰু অংকুৰিত বীজৰ সংস্পৰ্শ আদি বিভিন্ন কাৰণত অপতৃণনাশকৰ বিষক্ৰিয়া ঘটিব পাৰে। উদ্ভিদসমূহৰ জাত আৰু জীৱন চক্ৰৰ বিভিন্ন স্তৰত অপতৃণনাশকৰ প্ৰতি সঁহাৰি ভিন্ন হোৱা দেখা যায়। সাধাৰণতে, ৰসায়ন প্ৰয়োগৰ লগে লগে বা কিছুদিনৰ পিছতে বিষক্ৰিয়া হোৱা দেখা যায়।

**কেনেদৰে চিনাক্ত কৰিব পাৰি ?**

ঃ শস্যৰ বীজৰ বদ্ অংকুৰণ বা বাঢ়ন প্ৰক্ৰিয়াত বাধা। (পেণ্ডিমিথালিন আৰু বীজৰ সংস্পৰ্শ হ'লে)

ঃ শিপাৰ ক্ষতি। (২,৪-ডি ৰ ফলত হ'ব পাৰে)

ঃ বগা পৰা ধানৰ ঠোক (ফিন'ক্সাপ্ৰ'পৰ ফলত হ'ব পাৰে)

**শস্যৰ বাঢ়ন বাধাপ্ৰাপ্ত হ'ব পৰা বিভিন্ন কাৰণসমূহ এনেধৰণৰ-**

পৰ্যাপ্ত চহ-নকৰা (ডাঙৰ চপৰা থাকি যোৱা) বীজ সিঁচা সময়ত শস্যৰ বীজ অধিক গভীৰতাত সোমাই যোৱা, মাটি বেছিচিলা হৈ থকা, বীজ সিঁচাৰ সময়ত প্ৰচণ্ড বৰষুণ, বোকাৰ চামনি, নিম্নমানৰ বীজ, অসংযতভাৱে বীজ সিঁচা, বীজৰ নিম্ন হাৰ, পানীৰ অভাৱ, বোকা পানীৰ ব্যৱহাৰ, পোক-পতংগ যেনে- পৰুৱা, উঁইপোক, চৰাই, নিগনি আদিৰ উপদ্ৰৱ ইত্যাদি।

যদি উপৰোক্ত কাৰণসমূহ শস্যৰ বাঢ়নত বাধা হৈ থিয় দিয়া নাই, তেন্তে কি ধৰণৰ ৰসায়ন শস্যৰ কোন স্তৰত প্ৰয়োগ কৰা হৈছিল ঠাৱৰ কৰিব লাগে।

**কিয় গুৰুত্বপূৰ্ণ ?**

অপতৃণনাশকৰ বিষক্ৰিয়া সাংঘাতিক অৰ্থনৈতিক সমস্যা নহয়। শস্যৰ পথাৰত মাজে সময়ে ভুল ব্যৱস্থাপনাৰ ফলত হ'ব পাৰে। বহুক্ষেত্ৰত কৃষকে নতুন ৰসায়ন এবিধ ব্যৱহাৰ কৰাৰ অনভিজ্ঞতাৰ ফলত সমস্যাৰ সৃষ্টি হয়। তথাপিও ৰসায়নৰ অপব্যৱহাৰে জীৱ আৰু পৰিবেশৰ ওপৰত যাতে বিৰূপ প্ৰভাৱ নেপেলায় তাৰ প্ৰতি লক্ষ্য কৰিব লাগে।

**কিদৰে ব্যৱস্থাপনা কৰিব পাৰি ?**

প্ৰথমতেই পথাৰত উদ্ভৱ হোৱা অপতৃণৰ প্ৰকাৰ আৰু পৰিমাণ ঠাৱৰ কৰিব লাগে।

বজাৰত উপলব্ধ হোৱা অপতৃণনাশকৰ অনুমোদিত হাৰ, প্ৰয়োগৰ সময়, সম্ভাৱিত বিষক্ৰিয়া আদি ভালদৰে পঢ়ি-শুনি বুজি লৈহে ব্যৱহাৰ কৰিব লাগে।

Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-Share Alike 3.0 (Unported)*